**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-11-2024
**Time :** 1205 Hrs.

***Assamese Bulletin***
**-----------------------------**

অসমীয়াৰ লগতে ৰাজ্যৰ বিভিন্ন জনগোষ্ঠীয় ভাষা আৰু বৰ্ণিল সংস্কৃতিৰ প্ৰচাৰ তথা প্ৰসাৰ সন্দৰ্ভত আলোচনাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰৰ উদ্যোগত কাইলৈৰ পৰা ৯ নৱেম্বৰলৈকে ভাষা গৌৰৱ সপ্তাহ উদযাপন কৰা হ'ব। অসমীয়া ভাষাই লাভ কৰা ধ্ৰুপদী ভাষাৰ বিৰল স্বীকৃতিক প্ৰতিজন অসমীয়াৰ ওচৰলৈ নিয়াৰ লক্ষ্যৰে প্ৰথমবাৰৰ বাবে এই কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। এই সময়ছোৱাত ভাষা বিষয়ক বিভিন্ন কৰ্মসূচীও গ্ৰহণ কৰা হ'ব। ভাষা গৌৰৱ সপ্তাহৰ বিভিন্ন কাৰ্যসূচীৰ ভিতৰত আছে- চতুৰ্থ শতিকাৰ পৰা পৰ্যায়ক্ৰমে অসমীয়া ভাষা সাহিত্যলৈ বৰঙণি যোগোৱা মনিষী, পণ্ডিত আৰু ভাষাবিদসকললৈ কৃতজ্ঞতা জ্ঞাপন, প্ৰকাশন পৰিষদে প্ৰকাশ কৰা **ধ্ৰুপদী অসমীয়া** শীৰ্ষক গ্ৰন্থ নাগৰিকৰ মাজত বিতৰণ আৰু অসমীয়াৰ উপৰি ৰাজ্যৰ অন্যান্য সৰু-বৰ ভাষাৰ বিকাশ-বিৱৰ্তন সন্দৰ্ভত তথ্যপূৰ্ণ আলোচনা। ভাষা গৌৰৱ সপ্তাহৰ এটা প্ৰধান কাৰ্যসূচী হিচাপে অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদানৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ এক লাখ নাগৰিকৰ জৰিয়তে কৃতজ্ঞতাসূচক পত্ৰ প্ৰেৰণ কৰা হ'ব। এই সপ্তাহ উদযাপনৰ লগত সংগতি ৰাখি অসমীয়াকে ধৰি ৰাজ্যৰ ১৪ টা ভাষাত শৈক্ষিক প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

কাইলৈ গুৱাহাটীত ভাষা গৌৰৱ সপ্তাহ উদযাপনৰ মূল কাৰ্যসূচীৰ আৰম্ভণি হ'ব। এই উদ্বোধনী অনুষ্ঠানত কৃষি মন্ত্ৰী অতুল বৰাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত দিনৰ ১১ বজাৰ পৰা হ'বলগীয়া এই অনুষ্ঠানত বিত্ত মন্ত্ৰী অজন্তা নেওগ আৰু শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু উপস্থিত থাকিব। ৰাজ্য চৰকাৰৰ আন আন মন্ত্ৰীসকল বিভিন্ন জিলাৰ উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। ৪ নৱেম্বৰৰ পৰা ৰাজ্যৰ বিদ্যালয়, মহাবিদ্যালয় আৰু বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানে নিজাববীয়াকৈ ভাষা গৌৰৱ সপ্তাহ উদযাপনৰ কাৰ্যসূচী গ্ৰহণ কৰিব।

০০০০০০০

ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিত অহা ১৩ নৱেম্বৰত হ'বলগীয়া উপ-নিৰ্বাচনৰ বাবে প্ৰতিটো ৰাজনৈতিক দলে প্ৰচাৰ অভিযান তীব্ৰ কৰি তুলিছে। বিশেষকৈ শাসকীয় বিজেপি, বিৰোধী দল কংগ্ৰেছৰ লগতে আঞ্চলিক দলসমূহে নিৰ্বাচনী প্ৰচাৰ চলাইছে। উল্লেখযোগ্য যে বিহালী বিধানসভা সমষ্টিত কালি বিজেপি প্ৰাৰ্থী দিগন্ত ঘাটোৱাৰৰ হৈ কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা পবিত্ৰ মাৰ্ঘেৰিটা আৰু বিধায়ক দিগন্ত কলিতাই বিভিন্ন স্থানত প্ৰচাৰ অভিযানত অংশ লয়। চামগুৰি সমষ্টিৰ বিজেপি প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাৰ হৈ কেবিনেট মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা বিমল বৰাই কেইবাখনো নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। কাছাৰৰ ধলাই বিধানসভা সমষ্টিৰ লগতে চিৰাঙৰ ছিদলী সমষ্টিতো প্ৰাৰ্থী আৰু সমৰ্থকসকলে ব্যাপক প্ৰচাৰ চলাইছে। ইপিনে, বঙাইগাঁও সমষ্টিত বিজেপি মিত্ৰজোঁটৰ সমৰ্থিত অগপ প্ৰাৰ্থী দিপ্তীময়ী চৌধুৰীৰ লগতে কংগ্ৰেছ প্ৰাৰ্থী ব্ৰজেনজিৎ সিংহই ভোটাৰৰ মন জয় কৰাৰ বাবে চেষ্টা চলাইছে।

০০০০০০০

বিশিষ্ট সাহিত্যিক, ৰাজনীতিবিদ, অভিনেতা, নাট্যকাৰ তথা পৰিচালক প্ৰয়াত লক্ষ্যধৰ চৌধুৰীৰ ওপজা দিনৰ সৈতে সংগতি ৰাখি আজি কিতাপৰ দিন উদ্‌যাপন কৰা হ'ব। গুৱাহাটীৰ উজানবজাৰত থকা কুমাৰ ভাস্কৰ নাট্য মন্দিৰত সন্ধিয়া ৬ বজাত আয়োজিত অনুষ্ঠানত সাংবাদিক নিত্য বৰা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত লক্ষ্যধৰ চৌধুৰী ৰচিত মোৰ অভিনেতা জীৱনৰ কাহিনী আৰু ভগৱান শ্ৰীকৃষ্ণ আৰু অনুৰাধা দাস ৰচিত **জীৱনৰ বাটে ঘাটে** শীৰ্ষ গ্ৰন্থকেইখন উন্মোচন কৰা হ'ব।

০০০০০০

গোলাঘাট জিলাৰ অসম নগালেণ্ড সীমান্তৰ মেৰাপানীত চি আৰ পি এফৰ ১৪২ নং বেটেলিয়ানে বাৰ্মিজ চুপাৰী ভৰ্তি দুখনকৈ ট্ৰাক জব্দ কৰে। ডিমাপুৰৰ পৰা গুৱাহাটী অভিমুখী ট্ৰাক দুখনৰ গোপন চেম্বাৰত কেইবা লক্ষ্যাধিক মূল্যৰ বাৰ্মিজ চুপাৰি চি আৰ পি এফৰ তালাচীত জব্দ হয়। চি আৰ পি এফে বাহন দুখনৰ চালকসহ চাৰিজনক আটক কৰি নগালেণ্ডৰ ভাণ্ডাৰী আৰক্ষীক গটাই দিয়ে।

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগৰ আজি নিশা ৮ বাজি ২ মিনিটত প্ৰচাৰ হ'বলগীয়া দৃষ্টিপাতত অনুষ্ঠানত সতৰ্কতা সপ্তাহ সন্দৰ্ভত আলোচনা কৰা হ'ব। এই অনুষ্ঠানত তদাৰকী আৰু দুৰ্নীতি নিবাৰণী সঞ্চালকালয়ৰ অতিৰিক্ত আৰক্ষী সঞ্চালকপ্ৰধান সুৰেন্দ্ৰ কুমাৰ সমল ব্যক্তি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানৰ আঁত ধৰিব মানস প্ৰতীম শৰ্মাই।

০০০০০০০

ভাৰতে নিউজিলেণ্ডৰ বিৰুদ্ধে মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত ৩ খনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিম খন খেলৰ আজি দ্বিতীয় দিনা আমালৈ বাতৰি অহাৰ পৰলৈকে ৫ উইকেটৰ বিনিময়ত ১৯৫ ৰান সংগ্ৰহ কৰিছে। সুভমন গীলে ৭০ ৰান আৰু ৰবীন্দ্ৰ জাজেদাই ১০ ৰান কৰি খেলি আছে।

ইয়াৰ পূৰ্বে নিউজিলেণ্ডে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ ২৩৫ ৰাণত প্ৰথম ইনিংছ সামৰে। নিউজিলেণ্ডৰ হৈ ডেৰিল মিচ্চেলে ৮২ আৰু উইল ইয়ঙে ৭১ ৰাণ কৰে। ভাৰতৰ হৈ স্পীনাৰ ৰবীন্দ্ৰ জাদেজাই পাঁচটা আৰু ৱাশ্বিংটন সুন্দৰে চাৰিটা উইকেট দখল কৰে। জাদেজাই কালিৰ প্ৰদৰ্শনৰ সুবাদত টেষ্ট জাহিৰ খান আৰু ঈশান্ত শৰ্মাক চেৰ পেলাই ক্ৰিকেটৰ ইতিহাসত দেশৰ হৈ পঞ্চম সৰ্বাধিক উইকেট দখল কৰা বলাৰ হিচাপে পৰিগণিত হয়।

০০০০০০০